**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১।	ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ বাবে শিক্ষাৰ্থীক ২৫ জুলাইৰ পূৰ্বে বিদ্যাৰ্থী পোৰ্টেলত নাম পঞ্জীয়নৰ নিৰ্দেশ।

২।	ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ কুচকাৱাজ আৰম্ভ।

৩।	ৰাজ্যৰ বিভিন্ন অঞ্চলত বাঢ়নী পানী হ্ৰাস পাইছে যদিও এতিয়াও ১৬ খন জিলাৰ এহেজাৰো অধিক গাঁও বানৰ কবলত।

৪।	সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন।

**আৰু**

৫।	এছিয়া কাপ টি-২০ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতীয় মহিলা ক্ৰিকেট দল শ্ৰীলংকাৰ কলম্বোত উপস্থিত।

০০০০০০

ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই বঁটা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কথা প্ৰকাশ কৰে। যিসকল শিক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লাভ কৰিছে তেওঁলোকে এই আনন্দৰাম বঁটাৰ বাবে আবেদন কৰিব পাৰিব। অহা ২৫ জুলাইৰ পূৰ্বে 'বিদ্যাৰ্থী' শীৰ্ষক পোৰ্টেলত ৭৫ শতাংশ নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলৰ নাম পঞ্জীয়নৰ বাবে শিক্ষা বিভাগে জাননী জাৰি কৰিছে। এই বঁটাৰ বাবে যোগ্য শিক্ষাৰ্থীসকলে বিদ্যাৰ্থী পোৰ্টেলত তেওঁলোকৰ বেংক একাউণ্টৰ লগতে আন আন নথিসমূহ দাখিল কৰিব লাগিব। এই বঁটাৰ জৰিয়তে শিক্ষাৰ্থীসকলক ১৫ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। বঁটাৰ অধীনত নগদ ধন প্ৰদানৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক বেংক একাউণ্টৰ নম্বৰকে ধৰি প্ৰয়োজনীয় তথ্য, বিদ্যাৰ্থী এপ বা bidyarthi.co.in আৰু www.madhyamik.assam.gov.in ৱেবছাইটত আপলোড কৰিবলৈ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে সকলো জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকক নিৰ্দেশ দিছে।

০০০০০০

ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজৰ কুচকাৱাজ আৰম্ভ কৰিছে। অহা ১৫ আগষ্টৰ পৰা বিজেপিয়ে নিৰ্বাচনী কাম-কাজ তীব্ৰতৰ কৰিব বুলি কালি সংবাদ মাধ্যমৰ আগত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই প্ৰকাশ কৰে। ৰাজ্যিক সভাপতিগৰাকীয়ে প্ৰকাশ কৰা মতে, অহা ছেপ্তেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত তিনিটা সমষ্টিত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা

কৰাৰ বিপৰীতে দুটা সমষ্টি এৰি দিব মিত্ৰ দল অসম গণ পৰিষদ আৰু ইউ পি পি এলক। ইপিনে, বিজেপিয়ে বিহালী, চামগুৰি আৰু ধলাইত প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত। আনহাতে বঙাইগাঁৱত অগপ আৰু ছিদলীত ইউ পি পি এলে প্ৰতিদ্বন্দ্বিতা কৰিব। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে তিনিজনকৈ জ্যেষ্ঠ কাৰ্যকৰ্তাক ইতিমধ্যে দায়িত্ব অৰ্পণ কৰাৰ কথা ৰাজ্যিক সভাপতিগৰাকীয়ে প্ৰকাশ কৰিছে। ইতিমধ্যে উপ-নিৰ্বাচনৰ বাবে বুথ, শক্তি কেন্দ্ৰত বৈঠক অনুষ্ঠিত কৰা হৈছে। ১৫ আগষ্টৰ পাছত বুথ পৰ্যায়ত বিশেষ সভা অনুষ্ঠিত কৰা হ'ব বুলি বিজেপিৰ সভাপতিগৰাকীয়ে লগতে এই কথা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলত বাঢ়নী পানী হ্ৰাস পাইছে যদিও এতিয়াও ১৬ খন জিলাৰ ৪৯টা ৰাজহ চক্ৰৰ এহেজাৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। ৰাজ্যৰ ৪ লাখৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। একেদৰে ১২২ টা আশ্ৰয় শিবিৰত ১৫ হাজাৰৰো অধিক লোকে এতিয়াও আশ্ৰয় লৈ আছে। কোনো কোনো অঞ্চলত পানী শুকুওৱাৰ পাছত জনসাধাৰণ নিজ বাসগৃহ অভিমুখে উভতি গৈছে যদিও বানৰ পাছত বিভিন্ন ৰোগৰ আশংকাই দেখা দিছে। স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগে পানী বিশুদ্ধকৰণৰ বাবে ঔষধ তথা বিশুদ্ধ খোৱাপানী, অ' আৰ এছ আদি বিতৰণ কৰিছে।

ইপিনে, নেৰানেপেৰা বৰষুণৰ ফলত যোৰহাট জিলাৰ নগৰ অঞ্চলসমূহৰ লগতে কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। এই অঞ্চলসমূহৰ নলা-নৰ্দমা আৰু পথসমূহ মুকলি কৰাৰ ক্ষেত্ৰত প্ৰশাসনে অভিযান অব্যাহত ৰাখিছে।

০০০০০০

শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে কালি লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলৰ সৈতে মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ পৰিকল্পনা পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। গ্ৰামীণ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত প্ৰত্যেক বিদ্যালয়ৰ বিপৰীতে ৭ কোটি টকা ব্যয় সাপেক্ষ ১২৬ খন বিদ্যালয় নিৰ্মাণৰ বিষয়টো কালি বৈঠকত পৰ্যালোচনা কৰা হয়। শিক্ষা মন্ত্ৰীয়ে শৈক্ষিক আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ বাবে সকলো পৰিকল্পনাৰ অগ্ৰগতি ত্বৰান্বিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি শীঘ্ৰে ৰূপায়ণৰ দিশে অগ্ৰসৰ হোৱাৰ বাবেও তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। আনহাতে শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ আভিযান্ত্ৰিক মহাবিদ্যালয় তথা প'লিটেকনিক প্ৰতিষ্ঠানসমূহ আৰু প্ৰাদেশিকৃত মহাবিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত উচ্চ শিক্ষা বিভাগৰ সৈতে হোৱা এখন পৰ্যালোচনামূলক বৈঠকত অধ্যক্ষতা কৰে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে অতিৰিক্ত শ্ৰেণীকোঠা, শিক্ষাৰ্থীসকলৰ আবাস, চৌহদৰ বেৰ তথা স্মাৰ্ট ক্লাছৰুম নিৰ্মাণকে ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হয়।

ইপিনে, শ্ৰী পেগুৱে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ ৰাজহৰ উৎস শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে গঠিত কেবিনেট উপ-সমিতিৰ বৈঠকতো কালি অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰ গ্ৰামীণ বাসিন্দাসকলৰ সামগ্ৰিক কল্যাণ সুনিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ প্ৰকাশ কৰে। বৈঠকত মন্ত্ৰী অতুল বৰা, ৰণজিৎ কুমাৰ দাস, অশোক সিংহলকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰী ৰণোজ পেগুৱে কালি জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। গুৱাহাটীত আয়োজিত বৈঠকখনত সংগঠনটোৱে উত্থাপন

কৰা জনজাতিয় অঞ্চলসমূহৰ ভূমি সংৰক্ষণ, জনজাতিয় অঞ্চলত বিদ্যালয় স্থাপন, স্বায়ত্ব শাসিত পৰিষদলৈ সাংবিধানিক মৰ্যাদা প্ৰদানকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰা হয়। জনজাতিয় সমাজৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে সম্ভাব্য সহযোগিতা আগবঢ়াব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে।

০০০০০০

২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটাৰ বাবে যোগ্য শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স্ব-মনোনয়নৰ বাবে নাম পঞ্জীয়নৰ সময়-সীমা বৃহস্পতিবাৰলৈ বৃদ্ধি কৰা হৈছে। আবেদনকাৰীসকলে ২১ জুলাইৰ ভিতৰত সম্পূৰ্ণ স্ব-মনোনয়ন দাখিল কৰিব লাগিব। শিক্ষা মন্ত্ৰালয়ৰ nationalawardstoteachers.education.gov.in পোৰ্টেলৰ জৰিয়তে ২৭ জুনৰ পৰা আবেদন আহ্বান কৰা হৈছিল। শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এই বছৰ তিনিটা পৰ্যায়ত বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে ৫০গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বাছনি কৰা হ'ব। ৰাষ্ট্ৰপতিয়ে নতুন দিল্লীৰ বিজ্ঞান ভৱনত হ'বলগীয়া এটা অনুষ্ঠানত ৫ ছেপ্তেম্বৰত এই বঁটা প্ৰদান কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ চুক্তিভিত্তিক সম্পাদনা সহায়ক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক পদত নিযুক্তিৰ বাবে কাইলৈ আকাশবাণীৰ কাৰ্যালয়ত মৌখিক সাক্ষাৎকাৰ আৰু কণ্ঠ পৰীক্ষা অনুষ্ঠিত হ'ব। এই সাক্ষাৎকাৰ দিনৰ ১১ বজাৰ পৰা ৪ বজালৈ অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক দিনৰ ১০ বজাত যাৱতীয় তথ্যপাতিৰ লগতে ফটো পৰিচয় পত্ৰসহ কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগত উপস্থিত হ'বলৈ কোৱা হৈছে। এই সম্পৰ্কীয় জাননী ই-মেইল তথা হোৱাটছএপ যোগে পঠোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

চৰকাৰে নীতি আয়োগৰ গঠন প্ৰণালীৰ সংশোধন কৰিছে। কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানৰ লগতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক পদেন সদস্য হিচাপে আয়োগত অন্তৰ্ভুক্ত কৰা হৈছে। এখন জাননী অনুসৰি চৰকাৰে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা, তীখা মন্ত্ৰী এইছ ডি কুমাৰাস্বামী, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝি, পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং, সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰ, অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডু, জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম, মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অন্নপূৰ্ণা দেৱী, খাদ্য প্ৰসংস্কৰণ মন্ত্ৰী চিৰাগ পাছোৱান আৰু পৰিকল্পনা মন্ত্ৰী ৰাও ইন্দ্ৰজিৎ সিঙক বিশেষ আমন্ত্ৰিত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নীতি আয়োগৰ অধ্যক্ষ হৈ থকাৰ বিপৰীতে সুমন বেৰীয়ে উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকিব। ভি কে সাৰস্বত, অধ্যাপক ৰমেশ চান্দ, ড০ ৱি কে পল আৰু আনন্দ ৱিৰমানিয়ে পূৰ্ণকালীন সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা

আত্মনির্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

গোৱালপাৰা জিলাতো যোৱা ৬ জুনত **সম্পূৰ্ণতা অভিযান**ৰ কামকাজ আৰম্ভ কৰা হৈছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কালি নিশা প্ৰচাৰ কৰা চলন্তিকা অনুষ্ঠানত জিলাখনৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে এই কথা প্ৰকাশ কৰে। জিলাখনৰ ছটা বিশেষ বিভাগৰ বিষয়াসকল উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে বুলি আয়ুক্তগৰাকীয়ে সদৰি কৰে। গৰ্ভৱতী মহিলাৰ সঠিক যতন, শিশুসকলৰ সম্পূৰ্ণ টীকাকৰণকে ধৰি অভিযানৰ অধীনত ছটা বিশেষ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে, জিলাখনৰ অনুন্নত অঞ্চলৰ বাসিন্দাসকলক এই বিষয়ে অৱগত কৰোৱাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন কৰা হৈছে। কাৰবালাত সত্য আৰু ন্যায়ৰ বাবে প্ৰাণ আহুতি দিয়া পয়গম্বৰ মহম্মদৰ নাতি হজৰত ইমাম হুছেইন আৰু তেওঁৰ সহযোগীসকলৰ স্মৃতিত এই পৰ্ব পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ দেশতে তাজিয়া উলিওৱা হয়। কাৰবালাৰ শ্বহীদসকলৰ সৰ্বোচ্চ ত্যাগত আলোকপাত কৰি ধৰ্মীয় সভা আৰু মজনিছো আয়োজন কৰা হয়।

০০০০০০

লোকসভাৰ সাংসদ পৰিমল শুক্লবৈদ্যই শিলচৰ পৌৰ সভাৰ কাৰ্যালয়ত বিষয়াসকলৰ সৈতে এখন বিশেষ পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হোৱাৰ লগতে নগৰ উন্নয়ন পৰিকল্পনা সম্পৰ্কীয় প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। বৈঠকত ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভতো আলোচনা কৰা হয়। সাংসদগৰাকীয়ে পৌৰ সভাৰ অধীনৰ অসম্পূৰ্ণ প্ৰকল্পসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰাত অগ্ৰাধিকাৰ দিবলৈ সংশ্লিষ্ট বিষয়াক নিৰ্দেশ দিয়ে।

০০০০০০

বৰপেটা জিলাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগ তথা বৈধ জোখ-মাপ বিভাগে যুটীয়াভাৱে জিলাখনত বিশেষ অভিযান আৰম্ভ কৰিছে। জিলাখনৰ একাংশ তেল ডিপ'ৰ বিৰুদ্ধে ভেজাল ইন্ধন বিক্ৰীৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত আয়ুষ গাৰ্গে এই সন্দৰ্ভত বিশেষ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ জাৰি কৰে। এই অনুসৰি কালি মন্দিয়াৰ দুটা ডিপ'ৰ পৰা পেট্ৰ'ল আৰু ডিজেলৰ নমুনা সংগ্ৰহ কৰি প্ৰয়োজনীয় পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। জিলা প্ৰশাসনে সদৰি কৰিছে যে পৰীক্ষাত ভেজাল কৰা বিষয়টো প্ৰমাণিত হ'লে সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

বাক্সাৰ শালবাৰীৰ মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত এটা দলে শিমলাত ছটা ডকাইতক কৰায়ত্ব কৰে। গোপন সূত্ৰৰ পম খেদি আৰক্ষীৰ দলটোৱে চলোৱা অভিযানত এই দলটোক আটক কৰা হয়। এই দলটোৰ বিৰুদ্ধে ৰাজ্যজুৰি বিভিন্ন জিলাত কেইবাটাও অপৰাধমূলক গোচৰ ৰুজু হৈ আছে বুলি আৰক্ষীয়ে সদৰি কৰিছে।

০০০০০০

ভাৰতীয় মহিলা ক্রিকেট দল এছিয়া কাপ টি-২০ প্রতিযোগিতাত অংশগ্রহণ কৰাৰ উদ্দেশ্যে শ্রীলংকাৰ কলম্বোত উপস্থিত হৈছে। এই প্রতিযোগিতা শুকুৰবাৰে ডাম্বুলাত আৰম্ভ হ'ব। হৰমনপ্রীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো প্রতিযোগিতাৰ প্রথম দিনা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতক পাকিস্তান, সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ই আৰু নেপালৰ সৈতে প্রতিযোগিতাৰ গ্রুপ এত স্থান দিয়া হৈছে। আনহাতে, শ্রীলংকা, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশক গ্রুপ **বিত** অন্তৰ্ভুক্ত কৰা হৈছে। যোৱাবাৰৰ চেম্পিয়ন ভাৰতে এইবাৰো এছিয়া কাপৰ খিতাপ দখলৰ চেষ্টা চলাব। উল্লেখযোগ্য যে ভাৰতে ২০১৮ চনৰ বাহিৰে প্রতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে। ভাৰত ২০১৮ চনৰ ফাইনেলত বাংলাদেশৰ হাতত পৰাজিত হৈছিল।

০০০০০০

ৰাজ্যত পুনৰ শিক্ষক নিযুক্তিৰ প্রক্রিয়া আৰম্ভ। কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্রমণত পাঁচ সেনা জোৱান ছহীদ, যোৰহাট চহৰত কৃত্রিম বান, ছেপ্তেম্বৰত পাঁচ বিধানসভাৰ উপ-নিৰ্বাচন আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্রকাশিত প্রধান বাতৰি কাকতসমূহৰ প্রথম পৃষ্ঠাত স্থান লাভ কৰিছে। ৰাজ্যৰ গৃহ বিভাগে নাগৰিকত্ব সম্পৰ্কীয় অধিসূচনা জাৰি কৰাৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি প্রতিবাদ সাব্যস্ত কৰে। এই বাতৰিটো দৈনিক অসম আৰু দি আছাম ট্ৰিবিউনে প্রথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্রকাশ কৰিছে। আমাৰ অসম কাকতেও এই বাতৰিটো **ৰাজ্যৰ বিভিন্ন ঠাইত আছুৰ স্তিমিত প্রতিবাদ, অধিকাংশ দল-সংগঠনৰ নেতৃত্ব নীৰৱ ঃ কা বিক্ষোভ ম্লান, শুনোতাও নাই** শিৰোনামেৰে প্রথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্রকাশ কৰিছে।

কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্রমণত কেপ্তেইনসহ পাঁচগৰাকী সেনা জোৱান ছহীদ হোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **ভূ-স্বৰ্গত সন্ত্ৰাসবাদীৰ পুনৰ ভয়ংকৰ আক্রমণ ঃ কাশ্মীৰত কেপ্তেইনসহ পাঁচ জোৱান ছহীদ** শিৰোনামেৰে প্রথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। দৈনিক জনমভূমি কাকতে এই বাতৰিটোৰ সমান্তৰালকৈ যোৰহাটত ভয়াবহ কৃত্রিম বানৰ বাতৰিটো প্রথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্রকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **ডি চিৰ কাৰ্যালয়কে ধৰি বিশাল অংশ জলমগ্ন ঃ যোৰহাটত অভূতপূৰ্ব দুৰ্যোগ**।

দেশত খাদ্য দ্রব্যৰ খুচুৰা মূল্য বৃদ্ধিৰ লগতে পাইকাৰী মূল্য বৃদ্ধিৰ হাৰো অভাৱনীয়ভাৱে বৃদ্ধি হৈছে। বিশেষকৈ পিঁয়াজ আৰু আলুৰ দাম বিগত ১৬ মাহত সৰ্বাধিক বৃদ্ধি হৈছে। এই সন্দৰ্ভত অসমীয়া প্রতিনিদিন কাকতে **বাণিজ্য মন্ত্ৰালয়ৰ পৰিসংখ্যাত উদ্বেগজনক তথ্য ঃ এমাহতে খাদ্য দ্রব্যৰ পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ ১০ দশমিক ৮-৭ শতাংশলৈ বৃদ্ধি** শিৰোনামেৰে এটা বিতং বাতৰি প্রথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্রকাশ কৰিছে।

লোকসভাৰ বিৰোধী উপ-দলপতিৰ দায়িত্ব গ্রহণ কৰাৰ পিছত অসমত উপস্থিত হোৱা সাংসদ গৌৰৱ গগৈক উষ্ম আদৰণি জনোৱা হয়। ৰাজীৱ ভৱনত এক বিশাল সম্বৰ্ধনা অনুষ্ঠানত অংশগ্রহণ কৰি গৌৰৱ গগৈয়ে আগন্তুক উপ-নিৰ্বাচনৰ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। এই বাতৰিটো দৈনিক অগ্রদূত কাকতে প্রথম পৃষ্ঠাত **হঠাৎ ৰাজনৈতিক বতৰ বিজ্ঞানীৰ ভিৰ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্রকাশ কৰিছে।

ছেপ্টম্বৰ মাহত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ বাবে কেউটা দলে প্রস্তুতি আৰম্ভ কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে প্রথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্রকাশ কৰিছে।

বানৰ ক্ষয়-ক্ষতিৰ সন্দৰ্ভত বুজ ল'বলৈ কাইলৈ কেন্দ্ৰৰ এটা দল অসমত উপস্থিত হ'ব। এই বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্রথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্রকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – তিনি বছৰত চাকৰি এৰিলে ২০০ চৰকাৰী চিকিৎসকে, পঞ্চায়ত নিৰ্বাচন অকলেই যুঁজ দিয়াৰ কুচকাৱাজ অগপৰ, জাগীৰোডৰ ৫১৭ বিঘা ভূমিত ৬০ বছৰৰ বাবে লীজত পালে টাটাই, শীঘ্ৰে আৰম্ভ হ'ব ৫ হাজাৰ ৫০০ শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত